নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জোহৰৰ পূৰ্বে চাৰি ৰাকাত আৰু ফজৰৰ পূৰ্বে দুই ৰাকাত কেতিয়াও এৰা নাছিল।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত যে, "নবী চাল্লাল্লাহু
আলাইহি অছাল্লামে জোহৰৰ পূৰ্বে চাৰি ৰাকাত আৰু ফজৰৰ পূৰ্বে দুই ৰাকাত কেতিয়াও এৰা নাছিল।"
[ছহীহ] [(বুখাৰী)]

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই জনাইছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঘৰত নিয়মিতভাৱে নফল আদায় কৰিছিল, সেইবোৰ কেতিয়াও এৰা নাছিল। তেখেতে জোহৰৰ পূৰ্বে দুই ছালামত চাৰি ৰাকাত আদায় কৰিছিল, আৰু ফজৰৰ পূৰ্বে দুই ৰাকাত পঢ়িছিল।

http://sunnah.global/hadeeth/as/show/11249